
# ছবিলাল উপাধ্যায়



**দিলীপ কুমাৰ বৰুৱা**

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

ঃ **ছবিলাল উপাধ্যায়**

লিখক ঃ দিলীপ কুমাৰ বৰুৱা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাব, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৫

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভূক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যিসকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেইসকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাট কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৱিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যিসকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'টাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

ছবিলাল উপাধ্যায়দেৱ অসমৰ এজন প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী। তেওঁ আছিল অদম্য সাহসী, স্বল্পবাক, আধুনিক মনৰ নিৰলস কংগ্ৰেছ কৰ্ম্মী আৰু শুভবোধসম্পন্ন জাতীয় সমন্বয়ৰো সেনানী। এগৰাকী ভাল নেপালী সংস্কৃতিবান লোক হৈয়ো তেওঁ এগৰাকী ভাল অসমপ্ৰেমী অসমীয়া হৈছিল আৰু ভাল অসমীয়াৰ পৰা ভাল ভাৰতীয় হৈ বিশ্বনাগৰিক হৈছিল। ছবিলাল উপাধ্যায় একেধাৰে আছিল সংগ্ৰামী দেশপ্ৰেমিক, সমাজ সংস্কাৰক, সমন্বয় সংস্কৃতিৰ বাৰ্ত্তাবাহক আৰু আধুনিক শিক্ষানুৰাগী বুদ্ধিদীপ্ত ব্যক্তি। শোণিতপুৰ জিলাৰ তেজপুৰ চহৰৰ পৰা প্ৰায় ১০০ কিঃমিঃ পূবৰ বিহালী মৌজাৰ মাজগাঁৱৰ এজন গো-পালক হিচাবে জীৱন আৰম্ভ কৰি তেওঁ নিজৰ নিভাঁজ দেশপ্ৰেম, সততা, অধ্যৱসায়ৰ যোগেদি সমসাময়িক ভাৰতবৰ্ষৰ স্বাধীনতা সেনানীসকলৰ চেনেহ আদৰ আদায় কৰি অসমীয়াৰ জাতীয় অনুষ্ঠান অসম এচচিয়েচনৰ অধিবেশনত সভাপতিৰ পদ অলঙ্কিত কৰিছিল। লগতে নৱপ্ৰতিষ্ঠিত সৰ্ব্বভাৰতীয় কংগ্ৰেছ দলৰ প্ৰাদেশিক অসম গোটৰ প্ৰতিষ্ঠাপক সভাপতি পদত অধিষ্ঠিত হৈ অসমত জাতীয় ৰাজনৈতিক চেতনাক সৰ্ব্বভাৰতীয় ৰাজনৈতিক চেতনাৰে মহামিলন ঘটাই এগৰাকী কাণ্ডাৰী হিচাবে কাম কৰিছিল যি কথা অসমৰ ৰাজনৈতিক ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

ছবিলাল উপাধ্যায় যি 'ছবিলাল বাবু' নামেৰে খ্যাত, অসমৰ ৰাজনীতি, সাহিত্য সংস্কৃতিৰ কাণ্ডাৰী কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ অতি বিশ্বাসী পদানুসৰী। দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ বিকশিত সামাজিক চিন্তা আৰু কৰ্ম্মৰ, লগতে অগ্নিকবি কমলাকান্তৰ চিন্তাৰ অগ্নিশিখাৰ নীৰৱ সমৰ্থক আছিল এই ছবিলাল বাবু। তদুপৰি জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰূপান্তৰৰ জোনাকী বাটৰ আৰু গহন চন্দ্ৰ গোস্বামীৰ সমন্বয় সংস্কৃতিৰ মহতী চিন্তাৰো অনুৰাগী আছিল উপাধ্যায়দেৱ। লোকনায়ক অমিয়কুমাৰ দাস, পুষ্পলতা দাস আদি বৰেণ্য স্বাধীনতা সেনানীৰ সহযোদ্ধা আছিল তেওঁ।

ছবিলাল বাবুৰ সমস্ত জীৱন বৃত্তক আমি তিনিটা পৰ্য্যায়ত ভগাব পাৰো। প্ৰথমটো হ'ল অসমৰ থলুৱা নেপালী জাতীয় চিন্তাৰ স্বাভিমানী কৰ্ম্মযোগী হিচাবে, তাৰ পিছত আঞ্চলিক পৰ্য্যায়ত মাজগাঁও বিহালীৰ



সামাজিক শিক্ষা আন্দোলনৰ, সমন্বয়ৰ অগ্ৰণী সমাজকৰ্ম্মী হিচাবে আৰু তৃতীয়তে অসমৰ, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ত্যাগী, আপোচহীন নিৰ্ভয়চিত মুক্তিযোদ্ধা হিচাবে। তদুপৰি এগৰাকী দাতা হিচাবেও তেওঁৰ এক সুকীয়া পৰিচয় আছিল। ইয়াৰ ভিতৰত ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ আপোচহীন মুক্তিযোদ্ধাৰ জীৱনবৃত্তই তেওঁক অসমৰ এগৰাকী মহীয়সী ব্যক্তি ৰূপে মানুহৰ মনত চিৰস্মৰণীয় কৰি ৰাখিব। ব্যক্তি জীৱনৰ সকলো মোহ, ক্ষুদ্ৰ স্বাৰ্থ বলিদান দি দেশপ্ৰেমৰে সংপৃক্ত হৈ জনসাধাৰণৰ আশা-আকাংক্ষা, সংগ্ৰাম আৰু সামাজিক উদ্যোগৰ তেওঁ নেতৃত্ব বহন কৰিছিল।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱে বিষ্ণুলাল উপাধ্যায়দেৱে লিখা 'ছবিলাল উপাধ্যায় (১৯৯০)' জীৱনী গ্ৰন্থৰ ভূমিকাত লিখিছে যে, ছবিলাল বাবুৰ জীৱন 'প্ৰথমতে প্ৰজাতীয় স্তৰৰ পৰা মানুহে কি দৰে ক্ৰমাৎ অ-প্ৰজাতীয়, তাৰ পিছত জাতীয় আৰু মহাজাতীয় স্তৰলৈ নিজকে বিকশিত কৰে তাৰো এক অনুপম কাহিনী, অকল ই ব্যক্তিৰ ইতিহাস নহয়, ই এটা প্ৰজাতীয় গোট সসন্মানে জাতিৰ বুকুত মিলি যোৱাৰ ইতিহাস। এই ইতিহাস তেওঁতে শেষ নহয়। ই জাতি গঠনৰ বোৱতী ইতিহাস।' নৱৰঙ্গ আগৰৱালাৰ পৰিয়ালৰ দৰে অসমৰ নেপালী প্ৰজাতীয় সংস্কৃতিৰ স্বাভিমান বুকুতলৈ অসমীয়া বৃহত্তৰ জাতীয় স্বাভিমানৰ তেওঁ মহাসৈনিক হৈছিল - আৰু এদিন অসমীয়া স্বাভিমান বুকুতলৈ ভাৰতীয় মহাজনতাৰ মহামিলনৰ স্বাধীনতাৰ মহাসৈনিক মহাযোদ্ধা হৈছিল। 'ছবিলাল বাবু'ৰ ঘনিষ্ঠ সহযোগী আছিল ওচৰৰ গাঁৱৰ বগীৰাম শইকীয়া। বগীৰাম শইকীয়াৰ সৈতে অন্তৰঙ্গ বন্ধুত্বৰে দুয়ো বিহালীৰ পৰা ওলাই আহিছিল তাহানি তেজপুৰত আৰম্ভ হোৱা জোনাকী যুগৰ নতুন চিন্তাপ্ৰৱাহৰ বহল ক্ষেত্ৰখনলৈ। দুয়ো সন্ধালনিকৈ নিজকে জড়িত কৰিছিল তেজপুৰত আৰম্ভ হোৱা সংস্কৃতি, শিক্ষাৰ দলদোপ হেন্দোলদোপ দ্বিতীয় মহাযুদ্ধৰ প্ৰগতিবাদী পৰিবেশৰ লগত। দুয়ো তেজপুৰৰ পৰা আতোলতোলকৈ হৃদয়ৰ মাজত কঢ়িয়াই নিছিল নাট্য চিন্তা, সংস্কৃতি চিন্তা, ৰাজনৈতিক চিন্তা, শিক্ষা চিন্তা আৰু অলেখ নৱ জনজীৱনৰ আলোড়নকাৰী চিন্তা। ছবিলাল বাবুৰ ভতিজাক ৰামপ্ৰসাদ উপাধ্যায়ে তেজপুৰৰ বাণ থিয়েটাৰৰ আৰ্হিত মাজগাঁৱত জন্ম দিছিল নেপালী নাট্য মঞ্চ। ছবিলাল -বগীৰামে সংকল্প লৈছিল গ্ৰাম্য জীৱনলৈ আধুনিক শিক্ষাৰ পোহৰ আনিবলৈ।

আৰম্ভ কৰিলে উচ্চ শিক্ষাৰ অনুষ্ঠান। দেশৰ জিলিকা জোনহে ওলাই আহিল অলেখ গ্ৰাম্য প্ৰতিভা। গ্ৰাম্য জনগণৰ লোক - জীৱনৰ চিন্তাক দুয়ো লৈ গ'ল তেজপুৰ চহৰৰ চিন্তালৈ আৰু তেজপুৰত আৰম্ভ হোৱা নতুন চিন্তা প্ৰৱাহ বোৱাই নিলে গাঁৱলৈ। গাঁও আৰু চহৰৰ নৱ সংযোগৰ ছবিলাল- বগীৰামৰ এই সাংস্কৃতিক চিন্তা আজিও অতি প্ৰাসঙ্গিক আৰু ভৱিষ্যতবাদী চিন্তাতো ই প্ৰাসঙ্গিক হৈয়ে থাকিব।

ছবিলাল বাবুৱে ব্যক্তিগতভাৱেই সামাজিক ৰূপান্তৰৰ ৰূপতীৰ্থ-যাত্ৰী হোৱা নাছিল, নিজৰ পাৰিবাৰিক জীৱনলৈও বোৱাই আনিছিল আধুনিক শিক্ষাৰ পৰিবৰ্ত্তনকামী চিন্তা। ফলত তেওঁৰ ডাঙৰ পুত্ৰ টঙ্কনাথ উপাধ্যায়ে নেপালী সাহিত্য বিকাশৰ বাবে ইংৰাজী নাটক নেপালীলৈ অনুবাদ কৰিছিল আৰু মৌলিক নেপালী সাহিত্য ৰচনা কৰি অসমৰ নেপালী সাহিত্যৰ বাটকটীয়া হৈছিল। আনহাতে এই টঙ্কনাথ উপাধ্যায়ে নিজৰ সন্তানক অসমীয়া ভাষাতে সু-শিক্ষিত কৰি অসমীয়া সাহিত্য সমাজৰ সেৱক হ'বলৈ আগবঢ়াই দিছিল; ফলত তেওঁৰে কন্যা শ্ৰীমতী গীতা উপাধ্যায়ৰ দৰে সাহিত্য অকাডেমীৰ অনুবাদ বঁটা প্ৰাপক লেখিকা অসমীয়া সাহিত্যই লাভ কৰিলে।

আনহাতে কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্মা, দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মা, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য, গহন চন্দ্ৰ গোস্বামী, লোকনায়ক অমিয় কুমাৰ দাস, পুষ্পলতা দাস, জ্যোতিপ্ৰসাদ আগৰৱালা আদিৰ ভাত ঘৰ আৰু আলোচনা সভা ঘৰ আছিল 'ছবিলাল বাবু'ৰ মাজগাঁৱৰ ঘৰখন। ১৯৪২ চনত আনকি জ্যোতিপ্ৰসাদ আগৰৱালাই 'ছবিলাল বাবু'ৰ ভঁৰালঘৰতে আত্মগোপন কৰি পাৰিবাৰিক পৰিচৰ্য্যাত দিন কটাইছিল। ইয়াৰ পৰাই এদিন ছবিলাল বাবুৰ ব্যৱস্থাপনাত নিশা ব্ৰহ্মপুত্ৰইদি জ্যোতিপ্ৰসাদ আগৰৱালা তেজপুৰলৈ আহি তেজপুৰত আত্মসমৰ্পন কৰি জেল খাটে। ছবিলালে দেশপ্ৰেম আৰু স্বাধীনতা আন্দোলনত সহৃদয়তাৰে সমৰ্পণ কৰিছিল নিজৰ পাৰিবাৰিক সত্তাক। ফলত ছবিলালৰ ঘৰখনেই হৈ পৰিছিল নেপালী সংস্কৃতিৰ বৰঘৰৰ লগতে এচাম অসমীয়া সাহিত্য সংস্কৃতি, ৰাজনীতিৰ পুৰোধা ব্যক্তিৰ মিলনৰ বৰঘৰ। ফলত পাৰিবাৰিক জীৱনতে আৰম্ভ হৈছিল সমন্বয়ৰ দেশপ্ৰেমৰ এক বিৰল সঁচা ইতিহাস। এই ইতিহাস এটা পৰিয়ালৰ ইতিহাস নহয় অসমীয়া জাতীয় সমন্বয়ৰ ইতিহাস। ফলত তেওঁ এই প্ৰবাহিত সমন্বয় সংস্কৃতিৰো সচেতন



অগ্ৰদূত, ৰূপতীৰ্থৰ যাত্ৰী। এই যাত্ৰা বহ্নিমান কৰি ৰখাৰ দায়িত্ব নতুন প্ৰজন্মৰ।

**জন্ম আৰু পৰিয়ালৰ চমু পৰিচয় ঃ**

ছবিলাল উপাধ্যায় দেৱৰ জন্ম হৈছিল **১৮৮২** চনৰ **১২** মে' তাৰিখে। তেওঁৰ দেউতাক আছিল কাশীনাথ উপাধ্যায় আৰু মাক বিষ্ণু মায়া দেবী। কাশীনাথৰ ঘৰ আছিল বিশ্বনাথ চাৰিআলিৰ ওচৰৰ বুঢ়ীগাঙত। গো-পালক কৃষিজীৱী পৰিয়ালৰ ছটা সন্তান ভীমলাল, ছবিলাল, ৰামলাল, হৰি প্ৰসাদ, বিষ্ণুলাল আৰু দুজনী কন্যা। পিচত কাশীনাথৰ সেই স্থান পছন্দ নোহোৱাত বিহালীৰ ব্ৰহ্মপুত্ৰ- বৰগাং নদীৰ সঙ্গমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদৰেণুৰে ধন্য গাং মৌথানৰ নিকটৱৰ্ত্তী মাজগাঁৱলৈ উঠি আহিল। এই মাজগাঁৱৰ ঘৰৰ পৰাই ছবিলালে জীৱন সংগ্ৰাম আৰম্ভ কৰিলে।

ছবিলাল উপাধ্যায়ৰ পূৰ্বপুৰুষসকল আছিল বঙ্গদেশ আৰু নেপালৰ সীমাৰ ইনাম জিলাৰ ইৰোউটাৰ নামৰ ঠাইৰ লোক। নক্সালবাৰীৰ কেইমাইলমান পূবতে আছিল এই অঞ্চল। ককাদেউতাক কৃষ্ণ উপাধ্যায় সেই অঞ্চলৰ এগৰাকী আঢ্যৱন্ত লোক। পুত্ৰ কাশীনাথে দেউতাকৰ সৈতে পাৰিবাৰিক কিছু কথাত মত পাৰ্থক্য ঘটাত ঘৰ এৰি গুচি যায়।

এনে অৱস্থাতে কাশীনাথে ইংৰাজ সেনাবাহিনীৰ হাবিলদাৰ অমৃত বাহাদুৰ চেত্ৰীক লগ পালে। অমৃত বাহাদুৰে কাশীনাথক অসমৰ কথা ক'লে আৰু অসমত বাস কৰিবলৈ উদ্‌গনি দিলে। নিজৰ ভাগ্যকে ধিয়াই কাশীনাথ আহি প্ৰথমতে বুঢ়ীগাঙত আৰু পিচত গাং মৌথানত থাকিবলৈ ল'লে। পিছত কাশীনাথে মাক সহ পৰিয়ালবৰ্গক অসমলৈ আনি নিগাজিকৈ থাকিবলৈ লয়।

**শিক্ষা ঃ** ছবিলাল উপাধ্যায়ৰ আনুষ্ঠানিক শিক্ষা কম আছিল, কাৰণ সেইসময়ত পঢ়াৰ বিশেষ সুবিধাই গঢ়লৈ উঠা নাছিল। আঠ বছৰ বয়সতে হাতীবন্ধা প্ৰাথমিক বিদ্যালয়ত তেওঁৰ আনুষ্ঠানিক বিদ্যা আৰম্ভ হয়। উক্ত বিদ্যালয়ত কেই বছৰমান পঢ়িয়ে তেওঁৰ আনুষ্ঠানিক শিক্ষাৰ সামৰণি পৰে। ব্ৰাহ্মণ সন্তানৰ বাবে প্ৰয়োজনীয় সংস্কৃত শিক্ষা ঘৰতে শিক্ষক ৰাখি প্ৰদান কৰা হয়। শৈশৱতে তেওঁ দেউতাকৰ খেতি পৰিচালনা আৰু গৰু-মহৰ খুটি পৰিচালনাত জড়িতহৈ পৰে।

পঢ়া এৰাৰ পিছত ছবিলাল উপাধ্যায়ৰ বিহালীৰ ডাকঘৰৰ পোষ্টমাষ্টৰজনৰ সৈতে সম্পৰ্ক স্থাপন হয়। পোষ্টমাষ্টৰ গৰাকীৰ ছবিলাল উপাধ্যায়ৰ মাজত এক সম্ভাৱনা চকুত পৰে আৰু তেওঁক বঙালী পত্ৰিকা পঢ়িবলৈ উদ্‌গনি আৰু প্ৰয়োজনীয় জ্ঞান আগবঢ়ায়। ইয়াৰ ফলতে ছবিলাল উপাধ্যায়দেবৰ বঙালী আলোচনী, বাতৰি কাকত, গ্ৰন্থ আদি পঢ়াৰ অভ্যাস গঢ়ি উঠে। তেওঁ আনকি বৰভীল চাহ বাগিছাৰ এগৰাকী 'ডাক্তৰ চাহাব'ৰ পৰা বঙ্কিম চন্দ্ৰ, শৰৎ চন্দ্ৰ আদিৰ উপন্যাস আনি পঢ়াৰ আনন্দ লাভ কৰে। সেই সময়তে তেওঁ 'বসুমতী' পত্ৰিকাৰ চিন্তামূলক প্ৰবন্ধৰ লগতে স্বামী বিবেকানন্দ, ৰাম মোহন ৰায় আদিৰ চিন্তা উদ্বেগকাৰী জীৱনী আৰু লেখা পঢ়িবলৈ লয়। ছবিলালে পঢ়িবলৈ ধৰে বঙালী ভাষাত ৰামায়ণ আৰু মহাভাৰত। ইয়াৰ ফলতে বঙালী নৱজাগৰণৰ চিন্তা, সংস্কৃতি প্ৰসঙ্গতো তেওঁ জ্ঞান লাভ কৰে, ছবিলালে আনুষ্ঠানিক শিক্ষাত হেৰুৱাই পেলোৱা জ্ঞানৰ আঁতডাল এনে অধ্যয়নৰ জৰিয়তে বিকশিত কৰিবলৈ সমৰ্থ হয়। তেওঁ অনুভৱ কৰিলে যে, ধাৰাবাহিক অধ্যয়নৰ জৰিয়তে পৰ্য্যবেক্ষণ, চিন্তন মননত, সতৰ্কহৈ প্ৰজ্ঞাৱন্ত হোৱা যায়। বৌদ্ধিক মানসিক জাগৰণৰ এনে স্তৰত মানুহে এক জ্ঞানৰ জ্যোতি লাভ কৰে। ছবিলালৰ জীৱনতো কঠোৰ অধ্যৱসায়, কৰ্মনিষ্ঠা, মানুহৰে গভীৰ সম্পৰ্ক আৰু অধ্যয়নে জ্ঞানৰ গভীৰতা বৃদ্ধি কৰিলে।

এই সময়ছোৱাতে ছবিলাল সাঁতোৰ, নাও চলোৱা আদিতো সমনীয়াৰ লগতে পাৰ্গত হৈ উঠিল। বিষ্ণুলাল উপাধ্যায়ৰ লেখনিত সেই সময়ত ছবিলাল উপাধ্যায়ৰ চেহেৰা বৰ্ণনা কৰি লিখিছে- 'ওখ আটিল দেহ, শকত নাক, বহল উন্নত কপাল, চমক লগা তীক্ষ্ণ এযুৰি চকু, দীঘল সুবাহু আৰু ওঁঠৰ কলা গোফঁৰ শৰীৰেৰে' পাহুৱাল যুৱক। পিন্ধনত তেওঁৰ খদ্দৰৰ ধুতি, চুটি হাতৰ চোলা, ডিঙি বন্ধ দীঘল খদ্দৰৰ কোট চোলা আৰু প্ৰয়োজনত গান্ধী টুপি।

**পাৰিবাৰিক জীৱন ঃ**

পূৰ্ব্বৰ নিয়ম মতে ছবিলাল উপাধ্যায়ৰ বাল্য বিবাহ হয়। তেখেতে সেয়ে হয়তো পিছলৈ বাল্য বিবাহৰ বিপক্ষে এক সামাজিক আন্দোলন গঢ়ি তোলে। তেখেতৰ পৰিবাৰৰ নাম আছিল ঘনমায়া দেবী।

সাংসাৰিক জীৱনত ছবিলাল উপাধ্যায়ৰ চাৰিজন পুত্ৰ আৰু



দুই গৰাকী কন্যা সন্তান আছিল। তেওঁলোক ক্ৰমে টঙ্কনাথ উপাধ্যায়, দেৱী প্ৰসাদ উপাধ্যায়, নাৰায়ণ উপাধ্যায়, ভবানী প্ৰসাদ উপাধ্যায়, জানুকা দেৱী আৰু ধৰ্ম্ম কুমাৰী (বিমলা)। টঙ্কনাথ উপাধ্যায় নেপালী সাহিত্যৰ এগৰাকী প্ৰতিষ্ঠিত লেখক। এগৰাকী নাতি স্বৰূপ উপাধ্যায় বিধান সভা আৰু লোক সভাৰ সদস্য আছিল; নাতিনী শ্ৰীমতী গীতা উপাধ্যায় এগৰাকী বিশিষ্ট লেখিকা। তৃতীয় পুত্ৰ ভবানী প্ৰসাদ উপাধ্যায় চৰকাৰী চাকৰিয়াল আছিল। এ, ডি, চি হৈ অৱসৰ লয়।

ছবিলাল উপাধ্যায়ৰ ব্যক্তিত্ব আৰু গান্ধীবাদী দৰ্শনে গোটেই পৰিয়ালটোকে প্ৰভাবিত কৰিছিল। স্বাধীনতা আন্দোলনৰ প্ৰভাবত পৰিবাৰকে ধৰি কন্যা দুগৰাকীয়েও সূতা কটা, কাপোৰ বোৱা আদি কাৰ্য্যতো জড়িত হৈছিল। ছবিলাল উপাধ্যায়ৰ সাংসাৰিক জীৱন আছিল সৰল, আনন্দময় আৰু সমাজৰ হিতৰ বাবে উৎসৰ্গিত।

**ছবিলাল বগীৰামৰ বন্ধুত্ব ঃ**

ছবিলাল উপাধ্যায়ৰ জন্ম (১৮৮২)ৰ ৯ বছৰৰ পিছত নিকটৱৰ্ত্তী বাঁহবাৰী গাঁৱত জন্ম হৈছিল আন এজন উদ্যমী লোক বগীৰাম শইকীয়াৰ (১৮৯১-১৯৮৪)। দুয়োৰে সাহস আছিল অদম্য, চিন্তা আছিল মানুহৰ কল্যাণ, দেশপ্ৰেম আছিল শানিত। কোনোবা এটা ক্ষণত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিতে দুয়োজন যুৱকৰ মাজত গঢ়ি উঠিল বন্ধুত্ব। ছবিলাল উপাধ্যায় শিক্ষানুৰাগী হ'লেও আনুষ্ঠানিক শিক্ষা আধাতে সামৰিলে। আনহাতে বগীৰামে তেজপুৰত হাইস্কুলীয়া শিক্ষা সুখ্যাতিৰে সমাপ্ত কৰি কটন মহাবিদ্যালয়ত পঢ়িলেগৈ। বৰলুইতৰ পাৰত বহি, চাপৰিৰ খুটিয়ালীৰ ঘৰত বহি দুয়ো দুয়োৰে চিন্তাৰ বেহা-মেলিলে। বগীৰামে মাতিলে 'ছবিলালবাবু' বুলি আৰু ছবিলালে মাতিলে 'হজুৰ' বুলি। এই দুই সিংহ পুৰুষৰ বন্ধুত্ব আৰু সংগ্ৰামী জীৱন ব্যক্তিৰ সাধাৰণ বন্ধুত্বৰ ঘটনা নহয়, নেপালী আৰু অসমীয়াৰ সমন্বয়ৰ, বিশ্বাস আৰু আস্থাৰ নতুন প্ৰৱাহ - যি আজিও প্ৰৱাহমান।

ছবিলাল - বগীৰামৰ মণিকাঞ্চণে সংযোগে বিহালীৰ পৰা দেশপ্ৰেমৰ ত্ৰিৰঙ্গী পতাকা চাৰিআলি তেজপুৰলৈ - অসমলৈ প্ৰসাৰিত কৰিলে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰি দুয়ো একেলগে জেললৈ গ'ল আৰু ঘূৰি

আহিও সামাজিক সংগ্ৰামত একেলগে কাম কৰিলে।

**ছবিলাল উপাধ্যায়ৰ কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ সৈতে মহাসংযোগ ঃ**

থুলন্তৰ ডেকা ছবিলাল সেইসময়ত এগৰাকী ভাল খেতিয়ক আৰু কাজিৰঙাৰ খুটিয়ালী। ইতিমধ্যে ছবিলাল লগৰীয়াৰ মাজত নিজৰ সাহস, কৰ্মোদ্যম আৰু বিশ্বাসেৰে নেতৃত্ব লৈ জনপ্ৰিয় হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ ওখ ডাঙৰ চাপৰিবোৰ ইতিমধ্যে ইংৰাজ চৰকাৰে পি, জি, আৰ (নিৰ্দিষ্ট নিৰিখত খাজনা লৈ গৰু-ম'হ ৰখাৰ ঠাই)(Protection for grazing Reserve) লৈ অন্তৰ্ভূক্ত কৰি গৰু-ম'হৰ খুটি চলাবলৈ ৰাইজক দিছিল। খৰালি ব্ৰহ্মপুত্ৰৰ চাপৰি আৰু বাৰিষা বনাঞ্চলত গো-পালকসকলে গৰু-ম'হৰ খুটিৰ পশুধন ৰাখে।

১৯২০ চনৰ কোনোবা এটা দিনত ইংৰাজ চৰকাৰে হঠাতে বন্য প্ৰাণী সুৰক্ষাৰ দোহাই দি কাজিৰঙাৰ মাজত থকা চাপৰিৰ গৰু-মহ'ৰ খুটিবোৰ ২৪ ঘন্টাৰ ভিতৰত উঠাই নিবলৈ গো পালকক নিৰ্দেশ দিলে। ফলত গো-পালকসকলৰ মাজত হাহাকাৰ লাগিল। ইতিমধ্যে চৰকাৰী নিৰ্দ্দেশ পালন কৰি বনবিভাগৰ বিষয়া কৰ্ম্মচাৰী আদি গো-পালকৰ খুটি আৰু ঘৰবোৰত জুই জ্বলাই উচ্ছেদ আৰম্ভ কৰিলে। গৰু-মহ দিহিঙে দিপাঙে গৈ পশুধন হেৰাই গো-পালকৰ বিপদ কুলাই পাচিয়ে নধৰা হ'ল। গাখীৰ উৎপাদনৰ মাজেৰে গঢ়ি উঠা উত্তৰপাৰৰ অৰ্থনীতি হঠাতে তচনচ হৈ পৰিল।

এইবাৰ গো-পালকসকল সংগঠিত হৈ ছবিলাল উপাধ্যায়ক তেওঁলোকৰ নেতা পাতিলে। সমূহীয়া সিদ্ধান্ত মৰ্ম্মে ইংৰাজ চৰকাৰে গো-পালকসকলক কৰা অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল। ছবিলাল বাবু আহিল তেজপুৰলৈ- তেজপুৰ কাছাৰীৰ যোগেদি ইংৰাজৰ লগত আইনগত যুঁজ দিবলৈ। ইংৰাজ চৰকাৰৰ পৰা গো-পালকসকলৰ অধিকাৰ হস্তগত কৰিবলৈ ওলাই গ'ল ছবিলাল।

তেজপুৰ কাছাৰীত সেইসময়ত সকলোৰে প্ৰিয় অধিবক্তা, ইংৰাজ চৰকাৰক সমূলি দেখিবকে নোৰৰা, সংগ্ৰামী চেতনাৰে তলবল কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাক ছবিলাল উপাধ্যায়ে লগ ধৰিলে। গ্ৰেজিয়াৰৰ অধিকাৰৰ আন্দোলনৰ আইনী যুঁজখন অধিবক্তা চন্দ্ৰনাথে চলোৱাৰ সংকল্প ল'লে। লগতে চন্দ্ৰনাথে



গাঁৱৰ পাহুৱাল যুৱক ছবিলালৰ হৃদয়ত জ্বলি থকা সাম্ৰাজ্যবাদী ইংৰাজ বিৰোধী উষ্মা মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিলে। চন্দ্ৰনাথে ছবিলাল উপাধ্যায়ৰ নিৰ্ম্মল হৃদয়ত ভাৰতবৰ্ষৰ মহাজনতাৰ স্বাধীনতা আন্দোলনৰ ফিৰিঙতি চতিয়াই দিলে। অসমীয়া জনজীৱনৰ স্বাভিমানৰ মহাসৈনিক স্বাধীনতা সেনানী চন্দ্ৰনাথ শৰ্ম্মাই (১৮৮৯, ৯ ডিচেম্বৰ - জন্ম-মৃত্যু ১৯২২ চনৰ ২০ জুলাই) অকৃত্ৰিম চেনেহৰে বান্ধি পেলালে এই সাহসী অসমীয়া নেপালী যুৱকজনক। ছবিলাল উপাধ্যায়ে গাঁৱতে শুনিছিল চন্দ্ৰনাথৰ দেশপ্ৰেমৰ কথাবোৰ। কিন্তু সান্নিধ্যই ছবিলালৰ হৃদয়লৈ বোৱাই আনিলে অসমীয়া জাতীয় স্বাভিমান, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰামী সত্তা, দেশ প্ৰেমৰ বন্যা। খুটিয়ালীৰ স্ব-অধিকাৰৰ আইনী যুঁজ দিবলৈ তেজপুৰলৈ অহা ছবিলাল ঘৰলৈ উভতিল 'সাহ-টলবল নিৰ্ভয়চিত' জাতীয় সংগ্ৰামৰ একুৰা ডাঙৰ জুই লৈ। চন্দ্ৰনাথলৈ পৰৱৰ্ত্তী সময়ত ছবিলালে আগবঢ়ালে বিশ্বাস, বন্ধুত্ব আৰু আপোচহীন ইংৰাজ বিৰোধী সংগ্ৰামৰ এখনি সবল হাত। চন্দ্ৰনাথৰ চিন্তা-কৰ্ম্মৰ সৈতে অভিন্ন হৈ পৰিল ছবিলাল উপাধ্যায়।

কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা প্ৰসঙ্গত এবাৰ ছবিলাল উপাধ্যায়দেৱে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ আগত নিজৰ মত ব্যক্ত কৰিছিল এনেদৰে - ''চন্দ্ৰনাথে মোৰ ঘৰতে থাকি কাম কৰিছিলহি। তেওঁৰ দৰে কৰ্মী আৰু ক'ত ওলাব ? চৌবিশ ঘন্টা কেৱল দেশৰ চিন্তা। তেনে কৰ্মী আজি ক'ত ? তেনে কৰ্মী থাকিলে দেশৰ মৰণ নাই।'' আকৌ ১৯৭২ চনত তেজপুৰত সম্বৰ্দ্ধনাৰ উত্তৰতো ছবিলালে স্মৰণ কৰিছিল চন্দ্ৰনাথ শৰ্ম্মাক - ''এই শুভ ক্ষণত চন্দ্ৰনাথ শৰ্ম্মা ডাঙৰীয়াৰ কথা মনত পৰিছে। এই গৰাকী নেতাই অসমৰ চুকে কোণে স্বাধীনতা সংগ্ৰামৰ জোৱাৰ তুলিছিল। তেওঁৰ অকাল মৃত্যু নোহোৱা হ'লে - আমি তেওঁৰ পৰা বহু আশা কৰিব পাৰিলোহেতেন।'' কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ যোগেদি ছবিলাল উপাধ্যায়ৰ সান্নিধ্য ঘটিল তেজপুৰত, সেই সময়ৰ ভাষা- সাহিত্য সংস্কৃতি, ৰাজনীতিৰ মহামহিম কাণ্ডাৰীসকলৰ লগত। ছবিলালে সান্নিধ্য লাভ কৰিলে দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মা, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য, পদ্মনাথ গোহাঁই বৰুৱা, লোকনায়ক অমিয় কুমাৰ দাস, ধৰ্ম্মৰত্ন গহন চন্দ্ৰ গোস্বামী, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, পুষ্পলতা দাস, অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী বাইদেউ আদি অনেক বৰ্ণিল সংগ্ৰামী ব্যক্তিত্বৰ। অসম

তথা ভাৰতৰ ৰাজনীতি, অৰ্থনীতি, সংস্কৃতিৰ ৰূপান্তৰৰ সংগ্ৰামী মহামন্ত্ৰ ছবিলালে লাভ কৰিলে এখেতসকলৰ পৰা আৰু আৰম্ভ হ'ল স্বাধীনতাৰ মহাসৈনিকৰ এক বিৰামহীন খোজ। ছবিলালৰ সেই খোজতে খোজ পেলাই স্বাধীনতাৰ মহাৰণলৈ আগবাঢ়ি আহিল অসংখ্য গ্ৰাম্য যুৱক-যুৱতী। সকলোৱে দেখিলে ইংৰাজৰ শোষণ; নিপীড়ন মুক্ত স্বদেশৰ মহাজনতাৰ এখন স্বাধীন ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ। ধ্বনিত হ'ল বন্দেমাতৰম, ইনক্লাৱ জিন্দাবাদ ধ্বনি। জীৱনে মৰণে স্বাধীনতা সংগ্ৰামী হোৱাৰ মৃত্যু শপত খালে ছবিলালে আৰু শত-সহস্ৰজনে।

**অসম কংগ্ৰেছৰ প্ৰতিষ্ঠাপক সভাপতি ঃ**

১৯২০ চনত কলিকতাত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত আৰু নাগপুৰত বহা সাধাৰণ অধিবেশনত মাহাত্মা গান্ধীৰ অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু ভাৰতবৰ্ষ উতলি উঠে। কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা সেই সময়ত অসমৰ এগৰাকী মুখ্য নেতা। চন্দ্ৰনাথ শৰ্ম্মাই অসমলৈ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ লগত যুক্ত কৰিবলৈ মনে প্ৰাণে সংকল্প ল'লে। কিন্তু এই অসহযোগ আন্দোলন সম্পৰ্কত অসমৰ প্ৰবীণ কিছু নেতাৰ অন্তৰত সংশয় আৰু সন্দেহ আছিল।

১৯২০ চনৰ আগলৈকে অসমৰ ৰাইজৰ ৰাজনৈতিক চিন্তাৰ শক্তিশালী মঞ্চ আছিল অসম এচ'চিয়েচন। অসমৰ আঞ্চলিক দাবীবোৰ বৃটিছ চৰকাৰৰ আগত তুলি ধৰিছিল অসম এচ'চিয়েচনে। অসহযোগৰ পৰিপ্ৰেক্ষিতত অসম এচ'চিয়েচনৰ নেতাসকলেও সৰ্ব্বভাৰতীয় আন্দোলনৰ লগত প্ৰত্যক্ষভাবে যোগ দিবলৈ মানসিক ভাবে প্ৰস্তুত হ'ল। ১৯২০ চনত তেজপুৰ জাহাজঘাটত অসম এচ'চিয়েচনৰ শেষখন অধিবেশন অনুষ্ঠিত হ'ল। অধিবেশনৰ বাবে পদুমপুখুৰীৰ পাৰত এখনি আদৰণি তোৰণ বাল গঙ্গাধৰ তিলকৰ নামত উৎসৰ্গা কৰাই নহয়, তোৰণত লিখা হ'ল 'স্বৰাজ মোৰ জন্মসিদ্ধ অধিকাৰ।'' এই সময়ত ছবিলাল উপাধ্যায় আছিল কৰ্ম্মবীৰ চন্দ্ৰনাথৰ ঘনিষ্ঠ সহযোগী। অধিবেশন থলিত কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ উদাত্ত বিপ্লৱী ভাষণে তেজপুৰ চহৰত তথা সমগ্ৰ দৰং জিলাত অসহযোগ



আন্দোলনৰ ৰণ দুন্দুভি বজালে। এই সভাতে সিদ্ধান্ত হ'ল যে, অসম এচ'চিয়েচনক পৰৱৰ্ত্তী যোৰহাটৰ সভাত ভাৰতবৰ্ষৰ মহাজনতাৰ স্বৰাজৰ স্বাৰ্থত নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ অন্তৰ্ভুক্ত কৰা প্ৰয়োজন।

পৰৱৰ্ত্তী সময়ত ১৯২১ চনৰ ২১ এপ্ৰিল তাৰিখে যোৰহাটৰ 'বিষ্ণুৰাম বৰুৱা হ'লত অসম এচ'চিয়েচনৰ মুকলি সভাত সভাপতিত্ব কৰিলে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ ঘনিষ্ঠ সহযোগী অক্লান্ত স্বাধীনতা সেনানী ছবিলাল উপাধ্যায়দেৱে। উক্ত সভাত দহ হাজাৰ লোক অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি সমবেত হৈছিল। সভাখনত সভাপতিত্ব কৰাৰ কথা আছিল তৰুণ ৰাম ফুকনে। কিন্তু ফুকনদেৱৰ সময়মতে নহাত ছবিলাল উপাধ্যায়দেবে সভাত সভাপতিত্ব কৰি নিজৰ দক্ষতাৰ পৰিচয় দিলে। উক্ত সভাতে নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ প্ৰাদেশিক শাখা তদৰ্থ পৰ্য্যায়ত 'অসম প্ৰদেশ কংগ্ৰেছ' নামেৰে গঠন কৰা হ'ল। ফলত ই সৰ্বভাৰতীয় মূলৰ সৈতে যুক্ত হৈ পৰিল। এই তদৰ্থ 'অসম প্ৰদেশ কংগ্ৰেছ' সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি নিৰ্ব্বাচিত হ'ল সভাৰ সভাপতি ছবিলাল উপাধ্যায়দেব। অসমৰ ৰাজনৈতিক ইতিহাসৰ এই সৰ্ব্বভাৰতীয় সংযোগৰ নেতৃত্ব লাভ কৰি ছবিলাল উপাধ্যায়ে নিজৰ লগতে অসমৰ ইতিহাসকো ধন্য কৰিলে। এই বিষয়ে স্বৰ্গীয় কৃষ্ণকান্ত শৰ্ম্মাই তেওঁৰ আত্মজীৱনীত লিখিছে ----- এই ক্ষেত্ৰত যোৰহাটত হোৱা ৰাষ্ট্ৰ সন্মিলনৰ কথা বিশেষ ভাবে উল্লেখযোগ্য। ইয়াত নেপালী সম্প্ৰদায়ৰ নেতা ছবিলাল উপাধ্যায়ক সেই সভাৰ সভাপতিৰ আসন দিছিল চন্দ্ৰনাথ শৰ্ম্মা আৰু নবীন চন্দ্ৰ বৰদলৈ আদি নেতা সকলে।' তদুপৰি যোৰহাটত বহা অসম এচ'চিয়েচনৰ এই বিশেষ সভাখনত উপস্থিত আছিল নবীন চন্দ্ৰ বৰদলৈ, ডাঃ হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, কুলধৰ চলিহা, ফৈজনুৰ আলি, বিষ্ণুৰাম মেধি আদি বৰেণ্য লোকসকল, তাৰ মাজতো ছবিলাল উপাধ্যায়দেৱে এই সভাখনত সভাপতিত্ব কৰা আৰু এক গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰাটো অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা।

নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ অসম শাখা গঠনৰ লগে লগে অসমতো অসহযোগ আন্দোলনৰ জোৱাৰ আহিল। জনতাৰ অসহযোগ আন্দোলনে ইংৰাজ চৰকাৰক বিপাঙত পেলালে আৰু প্ৰতিশোধ হিচাবে

ইংৰাজে বহুতৰ ওপৰত নিৰ্য্যাতন চলালে আৰু বহুতক কাৰাগাৰত বন্দী কৰিলে।

**ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম আৰু ছবিলাল উপাধ্যায় ঃ**

নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ অসম প্ৰাদেশিক গোট গঠন হোৱাত শদিয়াৰ পৰা ধুবুৰীলৈ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন আৰম্ভ হ'ল। তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি হ'ল চন্দ্ৰনাথ শৰ্ম্মা। কলিবাৰীত চন্দ্ৰনাথ শৰ্ম্মাৰ ভাৰাঘৰতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ নানান চিন্তা সংগ্ৰামী কাৰ্য্যসূচী আৰম্ভ হ'ল। লগতে আৰম্ভ হ'ল অসমীয়া ভাষা-সাহিত্যৰো প্ৰাণৱন্ত জোনাকী যুগৰ কাৰ্য্যসূচী।

ছবিলাল উপাধ্যায়দেৱে যোৰহাটৰ পৰা ঘূৰি আহি বিহালী পোৱাৰ লগে লগে তেওঁক ৰাইজে বিপুলভাবে আদৰণি জনাই স্বাধীনতা সংগ্ৰামৰ প্ৰতি সঁহাৰি জনালে। এই বিষয়ে বিষ্ণুলাল উপাধ্যায়দেৱে লিখিছে ‘‘অসহযোগৰ কাৰ্য্যসূচী ছবিলাল উপাধ্যায়ৰ বাবে সময়ানুকুল হৈ দেখা দিলে; তেওঁ অকণো সময় খৰচ নকৰাকৈ কংগ্ৰেছৰ সদস্য ভৰ্ত্তি, বিদেশী বস্ত্ৰ বৰ্জন, তিলক স্বৰাজ ফাণ্ড সংগ্ৰহ, স্বদেশী স্কুল স্থাপন আৰু মাদকদ্ৰব্য বৰ্জনৰ কামত নিষ্ঠা সহকাৰে নামি পৰিল'। সেই সময়ত ছবিলালৰ ঘনিষ্ঠ সহযোদ্ধাসকল আছিল বগীৰাম শইকীয়া, মোলান চন্দ্ৰ  শৰ্ম্মা, পোৱাল চন্দ্ৰ বৰা, পণ্ডিত দত্তৰাম দাস, ৰামলাল উপাধ্যায়, হৰি প্ৰসাদ উপাধ্যায়, টিকাৰাম উপাধ্যায়, বৃহস্পতি উপাধ্যায়, হৰি প্ৰসাদ উপাধ্যায় (ৰাম বাবু), ভীষ্ম প্ৰসাদ উপাধ্যায়, ত্ৰৈলোক্য নাথ শৰ্ম্মা, কনক চন্দ্ৰ শৰ্ম্মা, বিজয় শৰ্ম্মা, ৰাম প্ৰসাদ আগৰৱালা, জ্বালা প্ৰসাদ আগৰৱালা, নবীন চন্দ্ৰ ভট্টাচাৰ্য্য আদি। জিলাৰ সহযোগী সকল আছিল কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা, দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মা, লোকনায়ক অমিয় কুমাৰ দাস, মহাদেৱ শৰ্মা আৰু গুণাভিৰাম শৰ্ম্মা।

১৯২১ চনৰ ডিচেম্বৰত আহমদাবাদত অনুষ্ঠিত কংগ্ৰেছ মহাসভালৈ তেজপুৰৰ প্ৰতিনিধি হিচাবে যাবলৈ যো-জা কৰোতে ইংৰাজ পুলিচে ছবিলালবাবুক গ্ৰেপ্তাৰ কৰি জেলত দিয়ে। ইয়াৰ আগেয়ে পল'ফিল্ডত মহাত্মা গান্ধীৰ সভাত ব্যস্ত থকাৰ সময়তে জিলাৰ পুলিচ চুপাৰিণ্টেণ্ডেণ্ট বি, চি, এলেনে ছবিলাল উপাধ্যায়ক স্বাধীনতা সংগ্ৰামৰ পৰা আঁতৰাই আনিবলৈ



নানান প্ৰলোভন দিয়ে। আৰক্ষী বিষয়াই ছবিলালক কয় - তোমাৰ নেপাল ৰাজ্য এখন স্বাধীন ৰাজ্য। অসমৰ এইবোৰ কংগ্ৰেছৰ আন্দোলনত তুমি মিছাতে জড়িত হৈছা। তুমি কংগ্ৰেছ ত্যাগ কৰা, তোমাক ইংৰাজ চৰকাৰে সকলো সুবিধা দিব। আৰক্ষীক সহায় কৰিবা। তেওঁক পাঁচশ টকালৈ বানচ দিব বুলিও জনোৱা হ'ল। তদুপৰি বাজেয়াপ্ত কৰা বন্দুকটোও ঘূৰাই দিয়াৰ প্ৰলোভন দিলে।

ইয়াৰ উত্তৰত ছবিলাল উপাধ্যায়দেৱে নিৰ্ভীক ভাবে জনালে ‘‘মোৰ জন্ম অসমত, মৰিমো অসমত, মোৰ পিতৃ পুৰুষ একালত নেপালৰ পৰা অহা বাবে সেইখন মোৰ পিতৃভূমি হ'ব পাৰে। সেই দেশ মই দেখা নাই, মই মোৰ মাতৃভূমিৰ কথাহে জানো। এই দেশৰ আন্দোলন মোৰ আন্দোলন।'

সেই বছৰতে তেওঁক গ্ৰেপ্তাৰ কৰি তেজপুৰ কাৰাগাৰলৈ নিয়াৰ পিছত এদিন জেল চুপাৰিণ্টেণ্ডেণ্ট-এ তেওঁক এটা সুকীয়া ঠাইলৈ মাতি নি কংগ্ৰেছ এৰিবলৈ ফুচুলাই কলে, এইয়া মই হাতত কাগজ কলম লৈছো তোমাক কি লাগে কোৱা, মাটি বাৰী অন্যান্য সা-সুবিধা খোলোচাকৈ কোৱা''। তাৰ উত্তৰত তেওঁ ক'লে - ‘দেশৰ স্বাৰ্থতকৈ নিজৰ স্বাৰ্থ কোনোগুণে ডাঙৰ হ'ব নোৱাৰে। নিজৰ সংকল্পত মই অবিচল আছো। মোক প্ৰলোভন দেখুৱাই লাভ নাই।'

মহাত্মা গান্ধী তেজপুৰলৈ  দুবাৰ আহিছিল। ১৯২১ চনত আৰু ১৯৩৪ চনত। দুয়োবাৰে ছবিলাল উপাধ্যায়দেৱে আন সহযোগীৰ লগত গান্ধীজীৰ সেৱা কৰাৰ সুবিধা পায়। ১৯২১ চনৰ ২১ আগষ্টত গান্ধীজী তেজপুৰলৈ আহোঁতে জিলা আৰক্ষী বিষয়াই ছবিলালক নানান ভাবে প্ৰলোভন দি বিফল হোৱাত ডিচেম্বৰত তেওঁক গ্ৰেপ্তাৰ কৰি তেজপুৰ জেলত বন্দী কৰি ৰাখে। এই সময়তে ছবিলাল উপাধ্যায়ৰ গুৰু কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ যক্ষ্মাৰোগ হোৱাত ছবিলাল উপাধ্যায়ে অত্যন্ত দুখ পায়। এই সময়ত চৌৰিচৌৰাত হোৱা হিংসাত্মক ঘটনাৰ বাবে গান্ধীজীয়ে অসহযোগ স্থগিত ৰখাৰ ঘোষণা কৰে। কৰ্ম্মবীৰ চন্দ্ৰনাথে গান্ধীজীৰ এই ঘোষণা বিৰোধ কৰি জ্বৰীয়া গাৰেই চিঠি প্ৰেৰণ কৰে। ১৯২২ চনত মাত্ৰ ৩২ বছৰ বয়সতে ছবিলালৰ হিয়াৰ আপোন কৰ্ম্মবীৰ চন্দ্ৰনাথৰ বিয়োগ হ'ল, ছবিলাল দুখত ভাগি পৰিল। তেওঁ যেন পিতৃহাৰা হ'ল।

৬ মাহ জেলত থকাৰ পিছত দোষমুক্ত হোৱাত ছবিলালে মুক্তি লাভ কৰে আৰু ঘূৰি আহি বিহালীৰ উচ্চ শিক্ষাৰ সপোন দেখি কৰ্ম্মপন্থা গ্ৰহণ কৰে। তদুপৰি অন্ধবিশ্বাস, বাল্যবিবাহ ৰোধ, মাদ্রক দ্রব্য সেৱনৰ কবলৰ পৰা গ্ৰাম্য সমাজক মুক্ত কৰিবলৈ ছবিলালে নিৰন্তৰ সামাজিক সংগ্ৰাম চলাই যায়। ছবিলাল উপাধ্যায়ৰ লগতে বন্ধু বগীৰাম শইকীয়া, ভায়েক হৰি প্ৰসাদ উপাধ্যায় আৰু ৰামলাল উপাধ্যায়দেৱেও জেল খাটে আৰু জেলৰ পৰা ওলাই ছবিলাল উপাধ্যায়ৰ নেতৃত্বত শিক্ষা বিস্তাৰ আৰু সামাজিক আন্দোলনত জড়িত হৈ পৰে।

১৯৩৪ চনত মহাত্মা গান্ধী দ্বিতীয় বাৰৰ বাবে তেজপুৰলৈ আহে আৰু ছবিলাল উপাধ্যায়দেৱে দলে বলে গৈ গান্ধীজীলৈ সেৱা আগবঢ়াই গান্ধীবাদী অহিংসাৰ পূজাৰী স্বাধীনতা সেনানী হৈ পৰে।

১৯৪২ চনত গান্ধীজীৰ নেতৃত্বত 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ হয়। লগে লগে ভাৰতৰ সকলো নেতাক গ্ৰেপ্তাৰ কৰা হয়। গান্ধীজীয়ে দেশ বাসীক বাণী দি কয়, এইখনেই আমাৰ শেষ সংগ্ৰাম 'কৰেঙ্গে য়া মৰেঙ্গে " - Do or die । সমগ্ৰ দেশতে ভাৰত ত্যাগ আন্দোলনৰ জুই জ্বলি উঠে।

১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে জিলা পৰ্য্যায়ত কংগ্ৰেছ দলে থানাসমূহত ইংৰাজৰ পতাকা ইউনিয়ন জেক নমাই ত্ৰিৰঙ্গ পতাকা উৰুৱাৰ কাৰ্য্যসূচী গ্ৰহণ কৰে। জিলাখনৰ সকলো প্ৰান্ততে 'মৃত্যু বাহিনী' গঠন কৰা হয়। উক্ত দিনা থানাত পতাকা উত্তোলন কৰিবলৈ গৈ গহপুৰ, ঢেকীয়াজুলিত বহুকেইজন লোক শ্বহীদ হয়। গহপুৰত কনকলতা বৰুৱা আৰু মুকুন্দ কাকতি শ্বহীদ হয়। ঢেকীয়াজুলিত মনবৰ নাথকে ধৰি বহুকেইজনৰ পুলিচৰ গুলিত মৃত্যু হ'ল। উক্ত দিনা ছবিলাল উপাধ্যায় আদিৰ নেতৃত্বত সকলো দিশৰ ৰাইজ গৈ বিহালী থানাত ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰে। বিহালী থানাত গুলীচালনা নহ'ল যদিও পুলিচৰ লাঠিৰ কোবত বহু কেইজন যুবক-যুৱতী আহত হ'ল। দ্বিতীয় বাৰৰ বাবে ছবিলালক পুলিচে গ্ৰেপ্তাৰ কৰি জেললৈ পঠালে। ১৯৪২ চনত ছবিলাল উপাধ্যায়ৰ বিহালীৰ কেইগৰাকীমান সহযোগী স্বাধীনতা সেনানী আছিল বগীৰাম শইকীয়া, মোলান শৰ্ম্মা, ডাঃ অন্নদা প্ৰসন্ন দত্ত, সাৰদা প্ৰসন্ন দত্ত, মাগুৰ বৰুৱা, নৰেশ্বৰ বৰুৱা, ৰূপৰাম বৰুৱা, বুদ্ধেশ্বৰ বৰা, কেশৱ চন্দ্ৰ শৰ্ম্মা, বিষ্ণু লাল উপাধ্যায়, কুমুদ চন্দ্ৰ শৰ্ম্মা, ৰবিৰাম শইকীয়া, পুণ্যধৰ বৰা,



বাণেশ্বৰ শইকীয়া, কমলাকান্ত বৰা আদি।

ছবিলাল উপাধ্যায়ক গ্ৰেপ্তাৰৰ আগে আগে জ্যোতিপ্ৰসাদ আগৰৱালাই আত্মগোপন কৰি ছবিলাল উপাধ্যায়ৰ ভঁৰাল ঘৰত লুকাই থাকেহি। পিছত লক্ষেশ্বৰ হাজৰিকা, কমলাকান্ত বৰা, অবিচন্দ্ৰ উপাধ্যায় আনন্দ তিয়ৰ আৰু জামান সিং গোটেই নিশা বিশ্বস্বস্ত নাৰৱীয়া সুন্দৰ বীণৰ নাৱেৰে জ্যোতিপ্ৰসাদ আগৰৱালাক বিশ্বনাথ চাৰিআলিৰ জ্বালা প্ৰসাদ আগৰৱালাৰ ঘৰলৈ লৈ যায়। জ্যোতিয়ে আত্মসমৰ্পণ কৰে। বিচাৰত দেশদ্ৰোহিতা প্ৰমাণ নোহোৱাত ছবিলাল উপাধ্যায়কে আদি কৰি অন্য মুক্তি যোদ্ধাসকলক মুক্তি দিয়া হয়। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত মুক্তি যোদ্ধা হিচাবে চৰকাৰে ছবিলাল উপাধ্যায়লৈ ত্যাগৰ চিন স্বৰূপে তাম্ৰপত্ৰ প্ৰদান কৰে।

**জাতীয় বিদ্যালয় স্থাপন আৰু সামাজিক সংস্কাৰ ঃ**

অসহযোগ আন্দোলনত ইংৰাজে স্থাপন কৰা বিদ্যালয়, মহাবিদ্যালয়ৰ পৰা পঢ়া আধৰুৱা কৰি জাকে জাকে যুৱক-যুৱতী ওলাই আহি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত যোগ দিছিল, জেলত থাকোতেই ছবিলাল, বগীৰাম শইকীয়াই আন আন ঠাইত গঢ়ি উঠাৰ দৰে ১৯২১ চনতে বিহালীতো জাতীয় বিদ্যালয় স্থাপন কৰিছিল; কিন্তু সকলো নেতা জেললৈ যোৱাৰ পিছত ই বন্ধ হয়। সমগ্ৰ ভাৰতবৰ্ষতে ইংৰাজৰ বিদ্যালয়ৰ সমান্তৰালভাবে জাতীয় শিক্ষানীতিৰে জাতীয় বিদ্যালয় স্থাপনৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে আহ্বান জনায়। সেই সময়ত তেজপুৰতহে একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সদৰ হাইস্কুল আছিল। বিহালীত এখনি জাতীয় বিদ্যালয় স্থাপনৰ পৰিকল্পনা যুগুত কৰা হ'ল। সেই সময়ত বতীয়ামাৰী আৰু হাতীবন্ধাত দুখনহে মাথোন মজলীয়া বিদ্যালয় আছিল।

১৯৪১ চনৰ ২৩ নবেম্বৰ তাৰিখে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী মাননীয় ৰোহিনী কুমাৰ চৌধুৰীদেৱে মাজগাঁৱৰ নিকটৱৰ্ত্তী অঞ্চলত বিহালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। বিহালী হাইস্কুল বৰ্ত্তমানে বিহালী উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাবে ৰাইজৰ দান বৰঙণি, মাজগাওঁ নেপালী থিয়েটাৰ পাৰ্টিৰ দান, সুদূৰ নেপালৰ পৰা অনা দান, ছবিলাল

উপাধ্যায়ৰ নিজৰ দানেৰে এদিন জাকত জিলিকাহে গঢ়ি উঠিল আৰু অসংখ্য ছাত্ৰ ছাত্ৰীয়ে এই বিদ্যালয়ৰ মাজেৰে উচ্চ শিক্ষা লাভ কৰি ডাক্তৰ, ইঞ্জিনীয়াৰ বিচাৰক আদি হৈ নিজে ধন্য হোৱাৰ লগতে সমাজকো মহীয়ান কৰি তুলিলে। ছবিলাল- বগীৰামে এনে জাতীয় বিদ্যালয় নোখোলা হ'লে শিক্ষাৰ এনে প্ৰসাৰ নহ'লহেতেন আৰু আজিৰ বহু বিৰল প্ৰতিভাৰ সম্ভাৱনা হয়তো অন্ধকাৰতে চিৰদিন থাকি গ'লহেতেন। বিদ্যালয়খনিলৈ ছবিলাল উপাধ্যায়ে নিজৰ পিতৃ মাতৃৰ স্মৰণত কাশী বিষ্ণু হল নামৰ এখন স্থায়ী ৰঙ্গমঞ্চ নিৰ্মাণ কৰি দান কৰে।

জাতীয় বিদ্যালয় স্থাপনৰ লগে লগে স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবেও ছবিলাল উপাধ্যায়দেৱে সেৱা আগবঢ়ায়। ছবিলালে ৰবীন্দ্ৰনাথ ঠাকুৰৰ সেই কবিতা ফাঁকি আওৰাইছিল -

নাজাগিলে ভাৰত ললনা
এ ভাৰত আৰ
জাগেনা জাগেনা।

**অসমীয়া ভাষা সংখ্যাগৰিষ্ঠ ভাষা কৰাত সহযোগিতা-**

১৯৪১ চনত হ'বলগীয়া চেঞ্চাচৰ সময়ত অসমত বঙালী ভাষা অসমীয়া ভাষাত কৈ সংখ্যা গৰিষ্ঠৰ ভাষা হোৱাৰ সময়ত অসমীয়া বুদ্ধিজীৱীসকল সচেষ্ট হ'ল। অসম শিক্ষা প্ৰচাৰ সমিতিৰ সম্পাদক অগ্নিকবি অম্বিকাগিৰী ৰায় চৌধুৰীয়ে বিহালী নাট্য মন্দিৰত আহ্বান কৰা সভাত নেপালী আৰু চাহ জনজাতীয় লোক সকলক চেঞ্চাচৰ সময়ত অসমীয়া ভাষাক মাতৃ ভাষা হিচাবে লেখাবলৈ কৰা আহ্বানৰ প্ৰতি সঁহাৰি জনাই সমন্বয়ৰ সাধক ছবিলাল উপাধ্যায়ে অসমৰ সকলো নেপালী লোকৰ মাতৃ ভাষা অসমীয়া লিখাবলৈ আহ্বান কৰি কয়, 'কেতিয়াবা অধিকাৰতকৈ কৰ্ত্তব্য ডাঙৰ হয়। বৰ্ত্তমান আমাৰ কৰ্ত্তব্য হৈছে সকলোৰে মাতৃভাষা অসমীয়া বুলি লিখি অসমীয়া ভাষাৰ সংকট কালত সংখ্যা গৰিষ্ঠতা সাব্যস্ত কৰা।' ইয়াৰ উপৰি সংস্কৃত শিক্ষাৰ প্ৰসাৰৰ বাবেও ছবিলালে আত্মনিয়োগ কৰে। তদুপৰি বিজ্ঞান শিক্ষাৰ বিকাশৰ বাবে বিশ্বনাথ মহাবিদ্যালয়লৈ এটা ন্যাস পুঁজি আগবঢ়ায়। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত আৰু ১৯৬২ চনৰ চীনা আক্ৰমণৰ



সময়ত উদ্ভৱ হোৱা পৰিস্থিতিৰ ক্ষেত্ৰতো ছবিলাল উপাধ্যায়ে মানুহৰ মাজত ঘূৰি দায়িত্বশীল কৰ্ত্তব্য পালন কৰে।

**সামৰণি ঃ**

১৯৮২ চনৰ ২৪ জানুৱাৰী তাৰিখে ৯৯ বছৰ বয়সত জননেতা ভাৰতৰ স্বাধীনতা সেনানী, সাম্প্ৰদায়িক সমন্বয়ৰ জীৱনযোৰা মহাসৈনিক, মানৱতাবাদী, লোক-সংস্কৃতিৰ পূজাৰী, বীৰ সমাজসেৱক ছবিলাল উপাধ্যায়ৰ বিহালীৰ মাজগাঁৱৰ ঘৰত মহাপ্ৰয়াণ ঘটে। নিজকে ব্যক্তিৰ পৰা সামাজিক ইতিহাসলৈ ৰূপান্তৰ কৰা ছবিলাল উপাধ্যায় নিজেই এক প্ৰাণৱন্ত ইতিহাসৰ ফল্গুধাৰা। এই ইতিহাস চিৰধাৱমান।

১৯৭২ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখে ছবিলাল উপাধ্যায়দেৱক তেজপুৰৰ 'ত্যাগবীৰ হেমবৰুৱা স্মৃতি ভৱন'ত ৰাজহুৱা সম্বৰ্দ্ধনা জ্ঞাপন কৰি তেখেতৰ কৰ্ম্মৰ কৃতজ্ঞতা জনোৱা হৈছিল, আখ্যা দিয়া হৈছিল 'এগৰাকী নিস্বাৰ্থ দেশপ্ৰেমিক হিচাবে, মুক্তি যুঁজৰ বীৰ সৈনিক হিচাবে আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ প্ৰতীক' হিচাবে।

সম্বৰ্দ্ধনাৰ উত্তৰত ছবিলাল উপাধ্যায়ে এক তাৎপৰ্য্যপূৰ্ণ মত আগবঢ়ায় কয় 'পৰাধীনতাৰ কালছোৱাত আমাৰ ঘাই শত্ৰু আছিল বিদেশী সাম্ৰাজ্যবাদী শাসন। এতিয়া আমি স্বাধীন হৈছো, আৰু স্বাধীন ভাৰতীয় নাগৰিকৰ ঘাই শত্ৰু হ'ল দৰিদ্ৰতা। মই আশা কৰিছো আমাৰ ডেকাসকলে দেশৰ জাতীয় ঐক্য বজাই ৰাখি দৰিদ্ৰতা আৰু অন্যায়ৰ বিৰুদ্ধে অন্তিম বিজয় অৰ্জন নকৰালৈকে, সংগ্ৰাম কৰি যাব। অকৃতকাৰ্য্য হোৱাৰ কোনো কাৰণ নাথাকে। ভৱিষ্যতৰ বংশধৰ সকলে আপোনাসকলক শ্ৰেষ্ঠ সংগ্ৰামী বুলি স্মৰণ কৰক এয়ে মোৰ কামনা।'

ছবিলাল উপাধ্যায়ৰ এই চমু গ্ৰন্থৰ সামৰণিত এয়ে আমাৰ কামনা যে, ছবিলালবাবুৰ দেশপ্ৰেম, গাঁও চহৰৰ জ্ঞানৰ বিকেন্দ্ৰীকৰণ, মানবতাবাদী চিন্তা, সমন্বয় সংস্কৃতিৰ বহল চিন্তা জীয়াই থাকক। নতুন পুৰুষৰ বাবে ছবিলালবাবুৰ কৰ্ম্ম আৰু চিন্তা আজিৰ সময়ৰ প্ৰাসংগিকতাত পথিকৃৎ হওক।